# কবিতা

# মহাবিদ্যালয় সপ্তাহ

( মহাবিদ্যালয় সপ্তাহৰ আলমত)

চন্দ্ৰকান্ত বৰা
গ্ৰন্থাগাৰিক

(১)
এটা সপ্তাহ পাৰ হৈ গ'ল
এটা সপ্তাহ পাৰ হৈ গ'ল
কিছু গান কিছু কবিতা
কিছু আশা কিছু হুমুনিয়াহ
যৌৱনপ্ৰাপ্ত মহাবিদ্যালয়ং ভিতৰচ'ৰা

(২)
কোনো হ'ব খোজে উইচন বল্ট
কোনো হ'বখোজে লিয়নেল মেচি
খেল পথাৰত মৃদু হুইছেলৰ ধ্বনি
আন্দোলিত আকাশ
আন্দোলিত বতাহ।

(৩)
প্ৰাণবন্ত হ'ল সুধাকণ্ঠ, প্ৰাণবন্ত হ'ল হস্তীৰ কন্যা
প্ৰাণ পালে ৰাভাই, প্ৰাণ পালে জ্যোতিয়ে
আৰু প্ৰাণ পালে সহস্ৰ হৃদয়ে
নৃত্যৰ তালে তালে কাৰোবাৰ মন নাচে
উদঙীয়া মনে নেমানে যে হাঁয়
আঁৰে আঁৰে সুহুৰি বজায়
আঁৰে আঁৰে সুহুৰি বজায়।

(৪)
পুৱাতেই উঠি আহি
সকলোৰে পাতিছে শাৰী
সৌযোৰা দৰা-কন্যা যায়
মাছুৱৈয়ে মাছ ধৰে নাচনীয়ে নাচ দিয়ে
কাৰোবাৰ দুনয়নে কথা পাতি যায়
বছৰলৈ এই দিন নাহিব দুনায়।



# ৰূপহী নাৰী গোলাপ ফুলৰ পাহি

—মৃদুলা ভূঞা
স্নাতক প্ৰথম ষাণ্মাসিক

ৰূপহী নাৰী গোলাপ ফুলৰ পাহি
আছা জানো সকলোবোৰে হাঁহি?
ক'ত নাৰী হৈছে ধৰ্ষিতা
কলুষিত হয় তেওঁলোকৰ কায়া
নাৰীৰো আছে অস্তিত্ব।
পুৰুষৰ সমানে সকলোবিশেষ
তেওঁলোকৰ নিজা ব্যক্তিত্ব।
জীৱন গঢ়িম মুক্তি আকাশৰ
কৰিম শান্তি পৃথিৱীৰ বিকাশ।
সৌৱা তাত এদল দুষ্কৃতিকাৰী
যাব নেকি সেই গোলাপ পাহি সৰি
মাতৃৰ স্নেহভৰা একাজলি মৰমৰ মাজত
লুকাই আছে সহস্ৰ শঙ্কা।
থুকাথুকি মাতত টপটপকৈ সৰে
মুকুটা মণিৰ মালা।
ভুল ক'ত?
দুখেই বা কিহঁত?
জন্ম লভাটোৱে নেকি পূণ্য?
পাপৰো প্ৰায়চিত হয়
সাজু হোৱা নাৰীগণ
কনকলতা, দেশৰ বীৰাংগনা আছিল।
নকৰো কাকো ভ্ৰুক্ষেপ
যুঁজিম আমিও প্ৰাণটাকি
তথাপিও হ'বলৈ নিদিও
নাৰী জাতিৰ নিঃশেষ।

# জানলৈ এখন চিঠি

পৱন কুমাৰ বিষয়া
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ



মৰম ল'বা,
সন্ধ্যাও লাগিছে
বৰষুণজাক এতিয়াও কণিয়াই আছে,
ঠিক্ সিদিনাৰ দৰেই
যিদিনা তুমি গৈছিলা গুছি।
এন্ধাৰেও ধৰিছে আৱৰি,
সেয়েহে বহিছো লিখিব
সকলো সামৰি।
লিখিম লিখিম বুলি ভাবো সদায়ে
পিছে জানানে জান,
সময়ো নাপাওঁ অকণমান।
আছা ছাগে তুমি জান
সৌ দূৰ নীলিমত
অযুত তৰাৰ সতে,
আশীষ দূৰৰে পৰা
কুশলে থাকা তাতে।
তুমিযে সিদিনা জান ফাঁকি দি গুছি গ'লা
দীপ আৰু শিখাক এৰি
মাতৃহীনা কৰি,
দীপে ইমানযে কান্দিছিল সিদিনা
মাটিত বাগৰি।
তেতিয়াযে জান শিখাজনী
নিচেই অকণমানি,
তোমাক বিচাৰি বিচাৰি
কিমানযে কৰিছিল আমনি।
জানা জান,
দীপ আজি বহু ডাঙৰ হ'ল,
পচাঁশীত সিদিনাযে ভাই
ছাত্ৰ দলৰ আগত
ফুৰিছিল যেনেকৈ শ্লোগান গাই,
তুমিতো তাক দেখাই নাই??
দেখিলে দীপক ভাই,
তোমালৈ মনত পৰি যায়।
তোমাৰ ফটোত জান
নিতে পুৱা-গধূলি
দীপে বন্তি জ্বলাই,
মাতৃৰ মৰম মাগে
লাহি দুচকুৰে তাৰ চকুলো বোৱাই।
তুমি জানো জান তাকো দেখা নাই??
মোৰ দুচকুৰ জ্বালা জান
দীপেওঁ বুজি পায়,
আহিবাচোন তুমিও
এদিন যাবাহি চায়।

তুমি বাৰু জান, এবাৰো কিয় বুজা নাই??
নপৰে মনত জানো
মৰমৰ তোমাৰ শিখাজনীলৈ,
কিয়নো বাৰু গ'লাগৈ আতৰি
অভিমানী হৈ।
জানা জান,
সিহঁত হালৰ সতেই
যত দুখ বেদনা
দিছো উটুৱাই,
তথাপি জানা, জান,
কোনো নীৰৱ ক্ষণত
চকুলো ওলায়।
আজিলৈ সিহঁত কোনেও দেখা নাই।
তুমিতো দেখিছা, জান,
কিয় এবাৰো অহা নাই??
অভিমান এতিয়াও কিয় ভঙা নাই??
তুমিতো নাজানা জান,
কণমানি শিখাজনী এতিয়া গাভৰু হ'ল,
গাঁৱৰ ডেকা ল'ৰাবোৰে
তাইক দেখিলে, কিবাকিবি ক'ই যোৱা হ'ল।
মুগাৰ সাজযোৰ পিন্ধিলে তাই
ইমান ধুনীয়া দেখি
কোনোবা দেৱী যেন পায়,
তোমাৰ অবিহনে জান
সুখ-আনন্দবোৰ, বেদনা হৈ যায়।
তুমি বাৰু জান, কিয় বুজা নাই??
বিয়া দিম বুলিলে শিখাই, বৰ লাজ পাই,
গোটেইজনী লাজতে কোঁচমোছ খাই।
মাজে মাজে কেতিয়াবা
মোৰ ডিঙিত সাবটি
তোমাকে মাতি মাতি
ইমান বিনায়,
তুমিবাৰু জান কিয় শুনা নাই??
তাইক দেখিলেই
আজিকালি মোৰো চকুলো ওলাই
কিবাকে মনটিক ৰাখিছো বুজাই।
সিদিনা,......
সিদিনা হ'লে জান
নাহি নেথাকিবা,
পহিলা মাঘৰ দিনা, শিখাৰ পাতিছো বিয়া,
নহ'লে কান্দি কান্দি,
ভাগৰি পৰিব তাইৰ ঠুনুকা হিয়া।
অতদিনে অকলে অকলে
যুঁজিলো সাহসে জান
তোমাকো বিচৰা নাই,
কিন্তু.....
কন্যাৰ সাজেৰে যিদিনা শিখাই
বিদায় মাগিব আহি
সিদিনা বাৰু জান
তাইক কেনেকৈ পঠাম বুজাই??
তুমি বাৰু জান ভাবিছানে নাই??
আহিবাদেই জান,
তোমাৰ হিয়াৰ মৰম শিখাক যাচি
দিবাহি বিদায়,
তোমাৰ অবিহনে জান শান্তি পোৱা নাই।
আজিকালি বহুতে মোক পগলা বুলিও জোকাই,
মই হ'লে ভাগি পৰা নাই।
তুমি হ'লে আহিবা ভাই
নহ'লে ইহঁতে মোক সদায় থাকিব জোকাই।
আৰু, শিখাওঁয়ে থাকিব বিনায়
তুমি কিন্তু আহিবাই!

'তোমাৰ'
উদ্দাম

পুনশ্চ ঃ- দৰাটো কোন কোৱাই নাই,
দীপৰ দৰেই,
চালে মৰম লাগি যায়,
শইকীয়াযে, তাৰেই সৰু ভাই
তুমি কিন্তু আহিবাই।

# মনত পৰেনে তোমাৰ ?

সুৰজিৎ ৰায়
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

প্ৰেয়সী, মনত পৰেনে তোমাৰ
পদূলীত গধূলী হোৱাৰ সময়বোৰ?
মনত পৰেনে,
শ্বিলঙৰ বাৰ্ডলেক, লেডি হায়দেৰি পাৰ্ক,
পুলিচ বজাৰ, ব্ৰডৱে, গলফ্ কোৰ্চ আৰু যে কিমান....?
নিশ্চয় নপৰে।
প্ৰেয়সী তুমি পাহৰি গলাই নেকি
শ্বিলং পিকৰ সেই বিশেষ মূহূৰ্তবোৰৰ কথা ?
হোষ্টেলৰপৰা তুমি যে মাকৈ সৌকি আনিছিলা
আৰু তুমি আৰু মই
গোটেই শ্বিলঙৰ নৈসৰ্গিক শোভা পাণ কৰিছিলো।
কিন্তু প্ৰেয়সী, তুমি আজি কিয় নীৰৱ?
নাজানো ক'ত কেনেকৈ যে অকস্মাতে হেৰাই গ'ল সেই দিনবোৰ
জানানে, পশ্চিম আকাশৰে নীলিমাৰ বুকুত
বেলিটো সেন্দুৰীয়া হ'লেই
মই তোমাৰ সত্বাক বাৰুকৈ অনুভৱ কৰো।
কিন্তু.....
মোবাইল ফোনৰ ইনবক্স খুলি চালেই আজিও অনুভৱ কৰো
প্ৰতিটো শব্দৰ গভীৰতা
মাজে মাজে ভাব হয়, তুমিয়েই পঠিয়াইছিলানে সেই মেছেজবোৰ?
সেইদিনা মনৰ কথাবোৰ খুলি ক'বলৈ লাইট্টুমখৰালৈ
ৰিচাৰ্জ কাৰ্ড বিচাৰি যাওঁতে
স্পীড ব্ৰেকাৰত উজুটি খাই ক্ষত-বিক্ষত হ'ল মোৰ
মোবাইলৰ দেহাটো।
সেইদিনাৰ দৰে মনৰ পখিলাজনীক
তোমাৰ বতৰা আনিবলৈ পঠিয়াইছিলো
সিয়ো ঘূৰি নাহিল।
প্ৰেয়সী, তুমি অতীতক পাহৰিলা নেকি?

## জীৱন

—সুখ শাড়ী মণ্ডল
স্নাতক পঞ্চম ষাণ্মাসিক

জীৱন নহয় কেৱল সুখৰ বাবে
দুখেও ল'ব পাৰে থিতাপি
নপৰিবা তুমি দুখত ভাগি,
সুখ দুখক কৰা জীৱনৰ লগৰী।
কৰা তুমি জীৱন-যাত্ৰাৰ শুভাৰম্ভণি।।
দুদিনৰ এই জীৱন, মিছা মৰীচিকা
এই আছে, এই নাই
মৃত্যুক্ষণতো মানৱে কৰে মিথ্যা
অভিমান।
মৃত্যু শয়নৰ হ'বা তুমি যাত্ৰী
অহংকাৰত নহয় লাভ তোমাৰ
মৃত্যুতো ৰাখি যোৱা স্মৃতি
তেহে হ'ব গুণ-গাণ তোমাৰ।
আনৰ সুখত সুখী, আনৰ দুখত দুখী
দুখতো নেৰিবা লগ
বিপদত সহায় কৰাজন সচা বন্ধু
তোমাৰ, জানিবা নিশ্চয়।
নক'বা একো কথা
বিয়ে দিয়ে আনক দুখ
কিয়নো, আনক কৰি দুখী
নিজে তুমি নোহোৱা সুখী
জানি ৰাখা এই কথা নিশ্চয়।

# সৰি পৰা সপোনৰ চানেকি

—কমী শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক



আজি বৰ শীত পৰিছে
তথাপিও কিবা ভাল লাগিছে
আজি তোমাৰ কথাকে ভাবিম
তুমি গুচি যোৱাৰ দিনৰ কথা
ভবা নাছিলো তোমাৰ পিছে পিছে
শাশ্বত সহানুভূতিও আঁতৰি যাব।
আঁতৰি যাব,
সুবাসিত দুয়োৰে ভালপোৱা
বহুদিন হ'ল তোমাক নেদেখা
তোমাৰ স'তে কথা নপতা
কিয় জানো আজি
পুৰণি স্মৃতিবোৰ উজাই আহি
বুকুত হেঁচা মাৰি ধৰিছেহি
তুমি হয়তো অনুভৱ কৰা নাই
ৰাতিৰ এন্ধাৰ ফালি
উদং শেতেলিত কেনেকৈ
টোপাটোপে সৰে চকুপানী
ৰখাই থব খোজা
বুকুৰ অদ্ভুত ধপ্‌ধপনি।
মই জানো,
সম্প্ৰতি তোমাৰ হৃদয়ত মই শূন্য
তুমি লিখা কবিতাবোৰত মই শূন্য।
তথাপি কিয়,
সপোনত দেখো তোমাক
সপোনতে কথা পাতো
সপোনে কয়,
সেয়াও নিষ্ফল উৰ্মিমালা
অভিমানবোৰ মচি আহিবাচোন এদিন।
তুমি আহি
মোৰ চকুত চকু থৈ
একো নোকোৱাকৈ যেন বহুত
কিবাই ক'বা আৰু
মই চাই থাকিম তোমাৰ মুখলৈ
যেনেকৈ চাই থাকে
জোনটোৱে জলাধাৰত নিজৰ মুখ
নিঃশব্দ আৰু নিৰবচ্ছিন্নভাৱে।

# প্ৰকৃতিৰ বৰ জীয়ৰী

নাজমন নেহাৰ (কাকলী)
পঞ্চম ষান্মাসিক

প্ৰকৃতিৰ জীয়ৰী সৌন্দৰ্যৰ স্বৰ্গপুৰী
হে অসমী আই,
তোমাতকৈ প্ৰিয় আমাৰ হৃদয়ত
আন কোনো নাই।
তোমাৰ বুকুৰ প্ৰাকৃতিক সৌন্দৰ্য
ইমানেই ধুনীয়া,
ঋতুৰ আগমনত প্ৰকৃতিয়ে ৰূপ লয়
বাৰেবৰণীয়া।
ঋতুৰাজ বসন্তই সম্ভাষণ জনাই
চ'ত-বহাগ মাহত,
তাৰ পৰশত কপৌফুলে নাচে
সেউজীয়া গছৰ ডালত।
পলাশ অশোক নাগেশ্বৰ চম্পা
সেউতী কৃষ্ণচূড়াই,
অসমী আইক জাতিষ্কাৰ কৰি তোলে
ফুলেৰে উপচাই।
মৌ-মাখিৰ মধুৰ গুঞ্জনে মন-প্ৰাণ
মতলীয়া কৰে,
অগ্ৰদূত কুলিয়ে দেশৰ প্ৰান্তে প্ৰান্তে
ব'হাগৰ বতৰালৈ ফুৰে।
সখিয়তী দহিকতৰা আৰু কেতেকীৰ
মৌ মতলীয়া সুৰভিয়ে,
চম্পাৰ সুধা নিঃসৰিণী সৌৰভে প্ৰাণত
যৌৱনৰ লালিমা সানি দিয়ে।
ঋতুৰাজ বসন্তৰ পিছতে হয়
গ্ৰীষ্ম ঋতুৰ আগমন,
ন-সাজেৰে সাজি প্ৰকৃতিয়ে ধৰি লয়
বিনন্দীয়া ৰূপ ধাৰণ।

বৰষা ঋতুই সম্ভাষণ জনায়
শাওন-ভাদ মাহত,
প্ৰকৃতিৰ প্ৰাণ উল্লাসিত হয়
তাৰ পৰশত।
বৰষাই প্ৰকৃতিক যোগাই দিয়ে
পিয়াহৰ পানী,
গ্ৰীষ্মত দগ্ধ হৈ থকা প্ৰাণলৈ
নিবিড় প্ৰশান্তি আনি।
লুইতৰ পাৰৰে খাগৰি-কহুৱাই
নাচে হালি-জালি,
পাহাৰে-পৰ্বতে উজলি থাকে নীলা পাৰিযুক্ত
বগা চাদৰ মেলি।
পাহাৰৰ মাজেৰে অকাই-পকাই নিজৰাই
কুলু কুলু কৰি বৈ যায়,
লাজৰে ওৰণি টানিলৈ যাত্ৰা কৰে
বিভুৰ মহিমাৰ গীত গাই।
শৰৎ কালতে প্ৰকৃতিলৈ আহে ৰিব্ ৰিব্ কৰি
মলয়াৰ মৃদুল হিল্লোল,
তাৰ পৰশত পথাৰৰ সেউজীয়া লখিমী
আনন্দত হয় বিভোল।
জোনাকৰ জেউতীত নিশা শেৱালীয়ে
মিচিক-মাচাক হাঁহে,
তাৰ পৰশত মানৱ প্ৰাণলৈ ছন্দময় ভাবৰ
উন্মেষ আহে।
হেমন্তৰ পুৱা অৰুণৰ হেঙুলী আভাই
ৰামধেনুৰ সৃষ্টি কৰে,
বিস্তীৰ্ণ পথাৰৰ সোণ গুটিবোৰ
মুকুতা হৈ জিলিকি পৰে।
হেমন্তৰ পিছত আহে শীত
প্ৰকৃতিক আদৰিবলৈ,
পলাশ, মদাৰ, শিমলুৰে জিলিকাই তোলে
চতুৰ্দিশ চমৎকৃত হৈ।

# জীয়াই থকাৰ আখৰা

—মণিকা বিশ্বাস
স্নাতক পঞ্চম ষাণ্মাসিক

তাম ৰঙী সপোনবোৰে
যেতিয়াই পাহি মেলে
ঠিক তেতিয়াই
মোৰ বুকুৰ পাঁজৰত
অনুৰণিত হয়
গৰখীয়াৰ বাঁহীৰ
এবুকু উশাহ
ৰ'দ জিলমিল
নিজান দুপৰত
চৰতিৰ মাতত
ফুলে তৰুৰা কদম
ৰ'দৰ ফুলে ফুলে
বিচাৰি ফুৰো
সপোন সৰদি
বাসন্তী আকাশ,
বাথৰুৰা ৰ'দৰ বতাহে
ভাঙি যায় মোৰ
দুখৰ পঁজা ক্ৰমশঃ
বিষাদ সমুদ্ৰত
অনুশীলন কৰোঁ
বাৰে বাৰে জীৱনৰ
গান প্ৰতিনিয়ত
জীয়াই থকাৰ
আখৰা কৰো
ঠিক এনেদৰেই
জীৱন পৰিক্ৰমাত।

# যন্ত্ৰণা

—কৰিস্মা ডেকা
স্নাতক পঞ্চম ষাণ্মাসিক

যন্ত্ৰণাৰ জুইকুৰাত
দগ্ধ হওঁ মই সদায়,
প্ৰতিদিনে ক্ষোভত
হয়তো অভিমানৰ স'তে
দুচকুৰে নামি আহে চকুৰ পানী।
সহ্য কৰিব নোৱাৰো কিয় ?
নিশাটো উচপিচ্ কৰি
কিবাহৰ শংকাত
দুচকুলৈ নামি আহে এন্ধাৰ
আকৌ হেৰাই যাওঁ
সেই যন্ত্ৰণাৰ মাজত...।





# জীৱন

—পৰেশ বিশ্বাস
স্নাতক পঞ্চম ষাণ্মাসিক

মৃত্যুৰ মুখৰ ফালে আমি সকলো
অবিৰত ভাৱে গৈ আছো আগুৱাই
শত সহস্ৰ বাধাইও
দিব নোৱাৰে
আগভেটা
নদীৰ দৰে যেন ই এক প্ৰবাহিত সোঁত।
নিৰ্জীৱতাই যাৰ গতি
মৃতুৰেই পৰিণতি
তাৰে নাম জীৱন।
জীৱন মাথোঁ আহে এবাৰ
আশা বাঢ়ে আশা ভাঙে
দুদিনীয়া সংসাৰলৈ আহি
আমি দিও মাথোঁ ভাও জীৱন ভাওনাত।

# স্বাগতম স্বাগতম নৱবৰ্ষ

—বৰ্ণালী শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক

'নৱবৰ্ষৰ হেঙুলীয়া জোৱাৰ
ৰৌদ্ৰোজ্বল নৱপ্ৰভাত আলোকিত স্পন্দন
হে নৱবৰ্ষ তোমাক
স্বাগতম।'
'চিৰ নতুন সজীৱতাৰে সময়ে প্ৰকৃতিৰ
বুকুলৈ কঢ়িয়াই আনে সপোন
আৰু হেঁপাহৰ নৱ-নৱ উন্মেষ।
সময়ৰ কোলাত মূৰ গুজি
আমি বোৰেও আগবাঢ়ি
গৈ থাকো দিনৰ
পিছত দিনলৈ।"
নৱবৰ্ষ....!
"প্ৰকৃতিৰ বুকুলৈ অনন্য
মধুৰতা নমাই আকৌ আহিল এয়া
আমাৰ মাজলৈ এটি নতুন বছৰ।
সচাঁকৈয়ে নৱবৰ্ষৰ এই নতুন ক্ষণত ভিন্ন অনুভৱেৰে
আমাৰ মনবোৰ ভৰি পৰে
সময়ে যেন জীৱনতকৈ আগবাঢ়িব খোজে।"



# কঁহুৱা

চন্দ্ৰকান্ত বৰা
গ্ৰন্থাগাৰিক

ক্ষীণকায় দেহত পিন্ধি ললি
শৰতৰ মেঘৰ ৰূপোৱালী বেশ
খামুচীয়া ককাল নচুৱাই
মোকো মাতিছ নৈ পৰীয়া
মলয়াৰ সুবাস লবলৈ
তোৰ যৌৱনৰ পোহাৰ চাবলৈ।
দুবৰীত নিয়ৰ আৰু শেৱালীয়ে পাতিছে
শুভ্ৰ ৰভা,
আজি যে শাৰদীৰ বিয়া
কপাহি চাদৰৰ আঁচল উৰুৱাই নিয়া
আহিনৰ বতাহত হালি- জালি
দিছ তই ৰংপুৰীয়াৰ নাচনীৰ নাচ।
কলিজাৰ একোণৰ নৈ পৰীয়া চুবুৰীত
ঠন ধৰি উঠিছে ঔ ফুলিয়া হাঁহি
ৰিণিকি ৰিণিকি শুনিছোঁ গকুলৰ কলীয়াৰ
তান মোহন বাঁহীৰ,
তই যে কঁহুৱা শৰতৰ প্ৰাণ
মোৰ জীৱনৰ গান।





# এই মহান শিক্ষাৰ চাকি

—হিমাদ্ৰী দেৱী
স্নাতক পঞ্চম ষাণ্মাসিক

সেই গহীন গম্ভীৰ
সোণোৱালী সেউজ বতাহ ছাটি,
সেই গোপন নিচুক কথাটি
কোনে জানো কৰেহি সাধনা।
পিছৰফালৰ পুখুৰীটোৰ গছবোৰে দিছে বহুতো
সুভাস
কত দিন গল...ঙ্গ
তথাপিও যেন একেই গহীণ-গম্ভীৰ ফুলৰ গোন্ধত
উঠিছে সুগন্ধি বতাহ।
ক'ত যেন সাধনা
ক'ত যে বেদনা
ক'ত যে আনন্দ
ক'ত যে আশা...ঙ্গ
এইবোৰ বুকুত লৈয়ে স্থাপিত
অধ্যয়নৰ সুবিধা।
গীতৰ সুৰত যেন দিয়ে বতাহৰ লহৰ।
সেই যে গাওঁ,
এই যে পথাৰৰ মাজত,
জ্বলি উঠিছে মন্দিৰত সোণৰ চাকি,
বহুতো বেদনা অশ্ৰুৰ পিছতো যেন
বহুতো জ্ঞানৰ আভাস লৈ
গঢ়ি উঠিছে এই মহাবিদ্যালয়খনি।

# কবিতা

—চৰিবুজ জামান
স্নাতক তৃতীয় ষাণ্মাসিক

সন্ধ্যা জোনাকত তোমাৰ স'তে বহি
নীল আকাশৰ তৰা গণি গণি
চকুত চকু থৈ নালাগে আমনি
ওঠে ওঠে মৰমৰ বুলনি
সন্ধ্যা জোনাকত তোমাৰ স'তে বহি
নিশা নাহে মোৰ টোপনি।
তোমাৰ কথা ভাবি ভাবি
উশাহো হয় মোৰ চুটি
কিদৰে বুজাও মই তোমাক
উজাগৰে পাৰ হয় ৰাতি।
সন্ধ্যা জোনাকত তোমাৰ স'তে বহি
নীল আকাশৰ তৰা গণি গণি
তুমি নেজানা মোৰ একে দশা
বুকুৰ ভিতৰত কিনো খলা বমা
কিদৰে বুজাও মই তোমাক
দিনতো নামে মোৰ জোনাক
সন্ধ্যা জোনাকত তোমাৰ সতে বহি
নীল আকাশৰ তৰা গণি গণি
চকুত চকু থৈ নালাগে আমনি
ওঠে ওঠে মৰমৰ বুলনি।



# অসমৰ বানপানী

—ৰবিন্দ্ৰ বিশ্বাস
স্নাতক পঞ্চম ষাণ্মাসিক

হঠাতে আহিল অসমৰ বানপানী
বুৰাই পেলালে সকলো ঘৰ-বাৰী
কৰিলে জনগণৰ বহু ক্ষতি,
ধ্বংস কৰিলে দেশৰ বহু উন্নতি
কিনো ক'ম নদী মাতৃক অসম দেশৰ কথা
সকলোৰে জনা বুজা কথা।
মহাবাহু ব্ৰহ্মপুত্ৰৰ বানপানীয়ে
চাৰিওফালে ধৰিছে আগুৰি।
ব্ৰহ্মপুত্ৰই অসমৰ ভিন্ন ঠাইত ভিন্ন
নাম লৈ আহিছে আগুৱাই,
যাব এদিন সকলো পিছুৱাই।
বিছিন্ন হ'ল কৃষকৰ মনৰ আশা
দুখৰ কথা ক'বলৈ নাইকীয়া হ'ল ভাষা
খাদ্যৰ অভাৱত জন্তুবোৰ য'তে ত'তে মৰি আছে।
হে অসমৰ বানপানী,
ক'ৰ পৰা আহিলি?
ধ্বংস কৰিলি সোণৰ অসমৰ
দোকমোকালী ধৰা।
গুৰিতো গলি দুৰ্ভগীয়া বানপানী,
ধ্বংস কৰিলি অসমৰ সুখ-শান্তি
আকৌ আহিলে তোৰ গাত চৌকাৰ
ছাই সানিম,
গুছি যা গুছি যা আৰু নাহিবি ভাই।

# তোমাক হেৰুৱাব নিবিচাৰো

—বিকাশ ডেকা
স্নাতক প্ৰথম ষাণ্মাসিক


মই তোমাক হেৰুৱাব নিবিচাৰো
কিন্তু তুমি আজি হেৰাই যাব খুজিছা
মোৰ জীৱনৰ পৰা।
তোমাৰ বাৰু মনত আছেনে
দুয়োৰে যে এখন সাকো গঢ়িছিলো
য'ত আছিলা তুমি, মই আৰু
আমাৰ অটুত মৰমবোৰ।
কিয় জানো হঠাৎ
আমাৰ মৰমৰ মাজত প্ৰবেশ কৰিলা
কিছুমান ভুল বুজাবুজি,
থান-বান কৰি দিলা
মোৰ সপোনৰ ৰামধেনুৰ
জিলমিল ৰংবোৰ।
তোমাক হেৰুৱাই বা মোৰ
জীয়াই থকাৰ লাভ কি?
নাথাকিব মোৰ কোনো অস্তিত্ব
কেৱল হৈ যাম এজন মাতাল
দিহিঙে-দিপাঙে ঘুৰি ফুৰিম
মাথো তোমাৰ মৰমৰ সন্ধানত।
তুমি যেতিয়া মোক এৰি গ'লা
মোৰ দুচকুৰে বৈ আহিছিল
বিষাদৰ চকুপানী
হেৰুৱাই পেলাইছিলো আত্মবিশ্বাস
আৰু নিজৰ অস্তিত্ব খিনি।
এবাৰো নাভাবিলা মোৰ কথা।
জীৱনৰ আধৰুৱা বাটত তুমি মোক
অকলশৰীয়া কৰি গুচি গলা।
আহিবানে? আহিবানে তুমি ঘূৰি?
তোমাৰ বাবে মই ৰৈ আছে।
পৃথিৱীৰ সকলো সুখ
তোমাৰ ভৰিৰ তলত
আনি দিবলৈও সাজু
তোমাক মাথো নিজৰ কৰি লব বিচাৰো
তোমাক হেৰুৱাব নিবিচাৰো
তোমাক হেৰুৱাব নিবিচাৰো।।



# সপোন

—কামাখ্যা দাস
স্নাতক পঞ্চম ষাণ্মাসিক

প্ৰতিশ্ৰুতিৰ ধুমুহাত
দিবা-নিশা একাকাৰ হয়।
ৰামৰাজ হ'ব বুলি
উৰুখা পজাত বহি,
জেতুকী বুঢ়িয়ে সাজে
স্বপ্নৰ প্ৰসাদ,
ৰামৰ মুখা পিন্ধি
ৰাৱন গাদীত বহে।
জেতুকীয়ে বুকুত খেপিয়ায়
হেৰুৱা সোনটিক,
দগমগীয়া ৰঙা কপালখনো
স্বাধীনতাৰ নামতেই উকা হৈ ৰ'ল।
তথাপি নিৰ্বাচন আহে
প্ৰতিশ্ৰুতিৰ বৰ্ষা নামে,
জেতুকীয়ে ফুকাই দিয়ে
তুঁহ জুইকুৰা,
কিজানিবা দেখা পাই
ৰামৰ মুখা।
তুঁহ জুইত হাত সুমুৱাই
ৰাৱনক এশিকনি দিয়াৰ
সময় যে এয়াই।



# সপোনৰ বালিচন্দা

—কাকলী কাঠাৰ
স্নাতক পঞ্চম ষাণ্মাসিক

সপোনৰ বালিচন্দাত এদিন
সাজিছিল কাৰেংঘৰ
সেয়া আছিল অন্য ইতিহাস
মায়ং আঞ্চলিক মহাবিদ্যালয়
তোমাক তালৈকে মাতিছিলোঁ
মানিক বুটলিবলৈ মধুমিতা
পাৰা যদি আহিবাচোন
চাব পাৰিবা তুমি
মায়ঙৰ হৃদয়ৰ কোঠালীকেইটা
তুমি জানানে মধুমিতা
মোৰেই ককা দিপন চন্দ্ৰ আৰু কতজনে
ৰোৱাইছিল এই বৃহৎ বটজোপা
হঠাৎ এদিন—
বটজোপাৰ ডালিয়ে ঠাল মেলিলে
আৰু শিপাবোৰে জাল গুঠিলে
আৰু এতিয়া
চৌদিশে কেৱল শেৱালী সুবাস
তুমিও আহিবা মুধুমিতা
ময়ে পৰিচয় কৰাই দিম
মোৰ মায়ঙৰ ঐতিহ্যৰ
আন এক অধ্যায়ৰ সৈতে।।

# আকাশ

—শ্যামলা বিশ্বাস
স্নাতক পঞ্চম ষাণ্মাসিক


ৰাতিৰ আকাশত তৰাবোৰে
কিয় তিৰবিৰণি কৰে,
মাজত বহি জোনটোৱে
কিনো কৰি থাকে।
নীল আকাশত বহি বেলিটিয়ে
পোহৰৰ উষ্ণতা দিয়ে,
জোন আৰু তৰাবোৰে
কিয় ওলাই নাহে?
তৰাই কেতিয়াবা গৈ থাকোতে
পৃথিৱীত খহি পৰে,
মনুষ্য গণে দেখি তাক
পপী তৰা বুলি ভাবে।
পপী তৰাৰ আন এটা নাম
উল্কা বুলিও কয়,
মধ্যাকৰ্ষণৰ কবলত পৰে বুলি
কিয় বৈজ্ঞানীকসকলে কয়?



# অগ্নি শিখা

—শংকৰ মণ্ডল
স্নাতক প্ৰথম ষাণ্মাসিক

চেষ্টাৰ অসফল একো নাই
তুমি যদি ভাবা,
তেতিয়াহে জীৱনৰ বাটত
খোজ দিব পাৰিবা
এভাবেষ্ট বিজয়ৰ দৰে
তুমি যদি ভাবা
তেতিয়াহে ভৱিষ্যতৰ সু-নাগৰিক
হ'ব পাৰিবা।
শিক্ষাৰ পোহৰ যদি চৌদিশে
বিয়পাব পাৰা।
অন্ধকাৰ অকাশখন
পোহৰাব পাৰিবা।
আদিম যুগৰ গণিতজ্ঞৰ দৰে
তুমি যদি ভাবা,
সু-সংস্কাৰ, অন্ধ বিশ্বাসৰ
পৃথিবীখন এলান্ধু গুচাব পাৰিবা।
জীৱনৰ বাটত কেতিয়াও তুমি
পিছলি নপৰিবা।





# উপদেশ

—মালতী মণ্ডল
পঞ্চম ষাণ্মাসিক

সৎ সংগ লবা তুমি
ডাঙৰ মানুহ হ'বা।
ভগবানক বিশ্বাস কৰিলে
মনত শান্তি পাবা।।
ফুলৰ লগত ফুৰিলে
সুগোন্ধ তুমি পাবা।
ধূলিৰ লগত ফুৰিলে
লেতেৰা তুমি হ'বা।।
কুলিৰ লগত ফুৰিলে
মিঠা মাত শিকিবা।
কাউৰীৰ লগত ফুৰিলে
কঠোৰা কথা ক'বা।।
ভাল কিতাপ পঢ়িলে
ভাল জ্ঞান পাবা।
ডাঙৰৰ কথা শুনিলে
হ'বা জ্ঞানীজন।
মহৎ লোক হ'বলে
যদি তোমাৰ মন।।
পলম তুমি নকৰিবা
লবলৈ সৎ সংগৰ বচন।।



# ভাৰতৰ সন্তান আমি

—ৰবিন্দ্ৰ বিশ্বাস
স্নাতক পঞ্চম ষাণ্মাসিক

ভাৰত জননীৰ সন্তান আমি
নাই কোনো ভিন্ন ভাব
কোন হিন্দু কোন মুছলিম
নাই কোনো ভিন্ন ভাব।
জন্মভূমি ভাৰত মাতৃক ৰক্ষা কৰিম
ইয়েই আমাৰ মূল মন্ত্ৰ।
একতাৰ ডোলেৰে সকলোকে বান্ধিম
বিনাশিম ষড়যন্ত্ৰ।
জাতি-ধৰ্মৰ শিপা উঘালিম
গঢ়িম স্ব-দেশ মাতৃ ভূমি।
গণতন্ত্ৰক ৰক্ষা কৰিলে
বাচিব জন্ম ভূমি।
আমাৰ দেশৰ ত্ৰিৰংগা পতাকা
হাজাৰ হাজাৰ শ্বহীদৰ দান
স্বাধীন ভাৰতৰ সন্তান সকলোৰে
গাও আহা জয় গান।
ভাৰত আমাৰ পুণ্য ভূমি
ভাৰতৰ হৈ কৰিম সকলো উন্নতি
এয়াই আমাৰ প্ৰতিশ্ৰুতি।

# জনতাৰ চিঞৰ শুনা সেই দেশদ্ৰোহী জীৱন

—দেৱযানী শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

আজি কৰুণ আশা বুকুত বান্ধি
জানো, সুখ ল'ব পাৰিবা?
সমিধান হ'ব জানো আজি
তুমি কৰা ভূলৰ বাবে?
আনক দুখ দি জানো তুমি
নিজেই ভবা নাই, সেই দুখৰ যান্ত্ৰণা কিমান?
আন্ধাৰেই হৈছে তোমাৰ জীৱন
সেই আন্ধাৰতেই তুমি এদিন কান্দিবা।
তেতিয়া জানো কোনোবাই দেখিব
তোমাৰ অশ্ৰুৰে ভৰা কাজল চকুযোৰি।
তোমাৰ বাবে অতীত কিমান মধুৰ
য'ত নাছিল কোনো ভেদভাব।
কিন্তু, আজি.....?
সেই দেশদ্ৰোহী, যাৰ বাবেই
সকলো যন্ত্ৰণাৰ যাতৰি।
ভূলৰ অবিহনে জানো জ্ঞান হয়?
জনতাৰ অশ্ৰুৰে তোমাক জানো
দেখুৱাই দিয়া নাছিল...?
যে, তুমি হিংস পথৰ পথিক।
তথাপিও, তুমিতো নাভাবিলা
যে, অসাৱধানতাৰ অবিহনে
নাওঁত উঠোতে আৰু
নামোতেও পিছলি পৰে।
আজি তোমাৰ হাত, ভৰি পংগু কৰিলেও
জনতা নহ'ব শান্ত।
বিচাৰ-খোঁচাৰ নকৰি
কৰিব মাথো তোমাক অন্ত।

# মোৰ হৃদয়ৰ ভাষা


—সংঘমিত্ৰা শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

আজি মই লিখিম কবিতা
প্ৰকাশ কৰিম মোৰ মনৰ ভাষা
এটুকুৰা উকা কাগজত চিয়াহীৰে
লিখি যাম মোৰ হৃদয়ৰ কথা।

যাৰ অলপ মৰমৰ বাবে মই বলিয়া
তাকে পাবলৈ কৰিছো বহু সাধনা
যাৰ বাবে নীৰৱে সহি আছো
বহু যাতনা।

যাক লৈ ৰচিছো এক ৰঙীণ পৃথিৱী
য'ত মৰম-ভালপোৱা উপচি থাকিব
হাজাৰ ঘাত-প্ৰতিঘাত আৰু ধুমুহাই
নোৱাৰে আমাৰ এই সম্পৰ্ক ভাঙিব।

যদি কেতিয়াবা এই সম্পৰ্কত ফাট মেলে
মই ৰচা সপোনবোৰ চূৰ্ণ-বিচূৰ্ণ হয়
তেতিয়া তোমাক নোপোৱাৰ ব্যৰ্থতাত
মোৰ এই জীৱন যাত্ৰা স্তব্ধ হ'ব।



# মানুহ কিয় এনে হয়

—কল্পনা মণ্ডল
স্নাতক প্ৰথম ষাণ্মাসিক

মানুহ কিয় এনে হয় ?
নাই যে আজি কাৰোৰে সময়
এবাৰ উভতি চোৱাৰ
নাই যেন আজি কাৰোৰে সময়
এষাৰি মাত দি যোৱাৰ।
একেটা পথৰে যাত্ৰী আমি
তথাপি কিয় সকলোৰে মাজত
আছে ইমান ভেদাভেদ
ধনী, দুখীয়া, উচ্চ-নীচ ?
কিয় কৰে আজি সকলোৰে তুলনা ?
নাই আজি সেই দিন মহাত্মাৰ,
নকৰে কোনেও সেই সংগ্ৰাম
নিদিয়ে কোনেও দেশৰ হকে প্ৰাণ।
আজি যেন নিচিনে মানুহে মানুহক
মাথো চিনে নিজেই নিজক,
ব্যস্ত যেন সকলো নিজৰে মাজতে
ধনক পাবলৈ নিজৰ হাততে ।
মানুহেই যদি মানুহক নিচিনে
যদিহে নুবুজে হৃদয়ৰ ব্যথা,
দুখতেই যদি লগ নিদিয়ে
কাকনো কৰিব আশা।
অসহায় হৈয়েই যদি জীৱন কটায়
নিদিয়ে যদি কোনেও সহাঁৰি,
সকলোৱে মিলি যদি নাবান্ধে এনাজৰী
ইজনে-সিজনক যদি নলয় আঁকোৱালি
সকলোৱে নাযায় যদি দেশৰ হকে আগবাঢ়ি
সকলোৱে নকৰে যদি দেশৰ হকে কাম
তেন্তে কিদৰে কওঁ আজি 'মোৰ দেশ মহান'।

# তুমি

—মনোজ মেধী
স্নাতক তৃতীয় ষাণ্মাসিক

তোমাৰ দুচকুৰ মৰমৰ চাৱনিত
মুগ্ধ হৈ,
পাহৰো মই জীৱনৰ যান্ত্ৰণা।
তোমাৰ প্ৰেমসনা মধুৰ মাতত
ভোল গৈ
ৰচো মই জীৱনৰ ৰচনা।
তোমাৰ মধুৰ হাঁহিত পাওঁ মই
জীয়াই থকাৰ প্ৰেৰণা
তুমিয়েই থকাৰ প্ৰেৰণা
তুমিয়েই মোৰ অতিকৈ আপোন
মোৰ হৃদয়ৰ কল্পনা।

যোৱা নিশা, বাৰান্দাত বহি থাকোতে
তোমাক বহুত মিচ্ কৰিছিলো
আৰু আকাশৰ প্ৰেমত পৰি গৈছিলো
কেতিয়ানো ৰৰষুণ এজাক আহি
তিয়াই থৈ গ'ল গমকে নাপালো।

ভিতৰলৈ সোমাই আহি দেখিলো তোমাক,
একো নোকোৱাকৈয়ে দৌৰি গৈ সোমালো
তোমাৰ বুকুৰ মাজত।
মোৰ বৰষুণৰ টোপালবোৰে তোমাকো তিয়াই নিলে।
তোমাৰ দুই বাহুৰ মাজত সোমাই,
দেখিছিলো জীৱনৰ সপোন।
তোমাৰ ওঠৰ পৰশত, ৰচিছিলো ৰচনা।
আৰু তোমাৰ লগত এক হৈ
শিকিছিলো সংসাৰৰ নিয়মনা।



# স্মৰণীয়

—প্ৰিয়ঙ্কা মণ্ডল
স্নাতক প্ৰথম ষাণ্মাসিক

বহু দিন হ'ল
তোমাক নেদেখা,
বহু দিন হ'ল
বকুলৰ গোন্ধ নোপোৱা
ক'ত আহিল, ক'ত গল
ব'হাগৰ বতৰা।
বহু দিন হ'ল
তোমাক নেদেখো,
নদীৰ গতিয়েতো তুলিলে
গুপুতে উচুপি উঠে হৃদয়
ফাগুনী পচোৱা জাকেও
এতিয়া আনিছে কেৱল দুখৰ বতৰা।
আজি জোন-বেলি-তৰা
সকলোকে সকিয়াই
এই শৰতৰ সন্ধিয়া
শেৱালীৰ গোন্ধ নোপোৱা
বহু দিন হ'ল
তোমাক নেদেখা।

# ঋতু

—শান্তনা বিশ্বাস
স্নাতক প্ৰথম ষাণ্মাসিক

ঋতু সঁচাকৈ বৰ ধুনীয়া
তোমাৰ নামটো
তোমাৰে সৃষ্টিয়ে
তোমাৰে যাদুৰে
প্ৰকৃতিও ৰূপ সলালে।
ব'হাগ আহিলে
কুলিয়ে বিনালে
আৰু বিনালে পেপাঁ-ঢোল।
তোমাৰে অপেক্ষাত
আছো মই বৈ
বিহুৰে তলিতে গৈ।
কিজানিবা
আহা তুমি
বৰদৈছিলা জাকৰ সৈতে
এই বেলি ব'হাগৰ
ঋতু ৰাজ হৈ।

# তুমি মাথো তুমি

—পূৰ্ণিমা শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক



মোৰ হিয়াৰ কোণত
আঁকিছো তোমাৰ ছবি
মৃত্তিকাৰে সাজিছো তোমাৰ
এটি শান্ত প্ৰতিকৃতি
মই জানো,
তুমি নিৰৱ, দৃষ্টিহীন
তুমি জানিও নুবুজা
আৰু দেখিও নেদেখা
তথাপিও
তোমাৰ ৰূপক নকৰো ঘিণ
মোৰ প্ৰতি পল অনুপল
তুমি মাথো তুমি...

# মৰম

—কামাখ্যা দাস
স্নাতক পঞ্চম ষাণ্মাসিক

মৰমে বিচাৰে
মাথোঁ মৰমক সদায়,
মৰমক নিদিবা
কেতিয়াও বিদায়।
কলিজাৰ তেজেৰে
শলিতা জ্বলাই,
মৰমক ৰাখিবা
চিৰদিন জীয়াই।



# তুমি আহিবা বুলি

—প্ৰাঞ্জল মণ্ডল
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি নাহিলেও
মই ৰৈ থাকিম।
তুমি আহিবা বুলি
মই বাট চাম।
আকাশৰ পদুলতি
থিয় হম।
সময়ৰ নিষ্ঠুৰতাক
আঁতৰাম।
আলফুলে সজাই থম
প্ৰেমৰ কলিটি।
তোমাৰ হৈতে কথা পাতিম
তোমাকে অনুভৱ কৰিম।
তোমাৰ কল্পনাৰেই
কবিতা ৰচিম।
তোমাৰেই ছবি আকিম
তোমাৰ বাবেই গীত গাম।
আকৌ তোমাকে কম
তোমাক ভালপাওঁ বুলি।



# প্ৰিয়তমা

—পংকজ মণ্ডল
স্নাতক প্ৰথম ষাণ্মাসিক

কেনে আছা তুমি,
প্ৰিয়তমা মোৰ।
বৰষুণৰ সেমেকা বতৰত
অকলশৰে আছো মই।
তোমালৈ বৰকৈ মনত পৰিছে,
দিন, সপ্তাহ, মাহ,
সম্পূৰ্ণ এটা বছৰ, পাৰ হৈ গল
তোমাৰ খবৰ এটাকে নাপালো মই।
বৰকৈ জানিবলৈ মন গৈছে,
কেনে আছা তুমি
প্ৰিয়তমা মোৰ,
আকাশ, বতাহ, সাগৰ, নদী
আদিৰ সৈতে
মই তোমাৰ কথাকে পাতো,
মানুহবোৰ বৰ স্বাৰ্থপৰ।
সেইবাবে মই নকও,
সিহঁতক তোমাৰ কথা।
চিল-মিল টোপনীয়ে লৈ আহে তোমাক,
মোৰ নিচেই কাষলৈ।
দুহাতে সাবটি লওঁ তোমাক
এনে দৰেই পাৰ হয়।
এনিশা, দুনিশা বহু নিশা,
প্ৰিয়তমা মোৰ
কেনে আছা তুমি
কেনে আছা?



# জগত গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

—শান্তি বিশ্বাস
স্নাতক প্ৰথম ষাণ্মাসিক

জনম লভিলা তুমি
কুসুম্বৰৰ গৃহত
ডাঙৰ দীঘল হ'লা
খেৰুসুঁতিৰ হাতত।
বিদ্যা অৰ্জন কৰিলা
মহেন্দ্ৰ কন্দলিৰ টোলত
ওজা ছাত্ৰ হ'লা
সকলো ছাত্ৰৰ মাজত।
'ক' ফলা শিকিয়েই
ধুনীয়া কবিতা লিখিলা
গুৰুৰ পৰা তুমি 'দেৱ' উপাধি পালা।
কীৰ্তন দশম লিখি
অসমীয়া সাহিত্যক কৰিলা চহকী,
মাধৱদেৱক শিষ্য কৰি
এক শৰণ নামধৰ্ম প্ৰচাৰিলা।
ডবা, তাল, খোল
তুমিয়েই সৃষ্টি কৰিলা
জাতিভেদ আঁতৰাই
একতাৰ ডোলেৰে বান্ধিলা।

# তোমাৰ প্ৰেমত পৰিছো নেকি

—নিৰ্মল মণ্ডল
স্নাতক পঞ্চম ষাণ্মাসিক

প্ৰেমত পৰিছো নেকি?
হয়, তুমি ঠিকেই শুনিছা...
মই তোমাৰ প্ৰেমত পৰিছো নেকি?
কিন্তু কিয়? ময়ো নাজানো...
জোনাকৰ বৰষুণজাকত তিতিলে
প্ৰকৃতিৰ সেউজীয়াবোৰ দেখিলে
ব'হাগৰ আগজাননী লৈ অহা
কুলিৰ কু-কু মাতটো শুনিলে
তোমালৈ বৰকৈ মনত পৰে...
জোনবাইলৈ চালে তোমাৰ মুখনি যেন লাগে
তুমি যেন আঁৰৰ পৰা মোলৈ চাইছা
মাজে মাজে হাঁহিছা... কথা পাতিছা
আৰু কেতিয়াবা অভিমান কৰিছা
এয়াই বাৰু ভালপোৱা নেকি?
কিন্তু মোক নুসুধিবা
কিমান ভালপাওঁ তোমাক...
হয়তো মই বুজাবলৈ অসমৰ্থ
আকাশৰ বিশালতা
সাগৰৰ গভীৰতা...
তোমাৰ প্ৰেমত সকলো কৰিব পাৰো
মাথো ভালপোৱাৰ প্ৰমাণ দিবলৈ
মোক আত্মহত্যা কৰিব নক'বা।
অন্ততঃ জোনাকৰ বৰষুণজাকৰ বাবে
প্ৰকৃতিৰ সেউজীয়বোৰৰ বাবে
চৰাই, পখিলা আৰু ফুলবোৰৰ বাবে
মই আত্মহত্যা কৰিব নোৱাৰিম
সিহঁতে যে মোক
মৃত্যুৰ অনুমতিয়েই নিদিয়ে।



# দুৰ্বল নহবা

—মল্লিকা দেৱী
পঞ্চম ষাণ্মাসিক

তোমাৰ মাজতে কৰিছে ঈশ্বৰে বিৰাজ
ঈশ্বৰে গঢ়িছে, দুৰ্বল হ'বলৈ নহয়।
দুৰ্বলজনে হেৰুৱায় শান্তি মনোহৰ
সবলজনৰ জীৱনত কিন্তু শান্তি অবিনশ্বৰ।
সাহসেৰে দুৰ্বলক কৰা জয়
সত্যত থাকিলেই শত্ৰুবো হয় পৰাজয়।
সত্যই সাহস, সহসেই আনে প্ৰগতিৰ পথ,
সত্যত থাকি সাহসেৰে চলোৱা
তোমাৰ জীৱন পথ।

# মা...

—মনুজ সৰকাৰ
স্নাতক পঞ্চম যাণ্মাসিক

মা তুমি যেতিয়া আছিলা কাষত
তেতিয়া নুবুজিলোঁ তোমাৰ মৰম
ভুল শুধৰাবৰ বাবে যেতিয়া কৰিছিলা খং
তেতিয়া পাইছিলো বেয়া তোমাক
আজি হাজাৰটা ভুল কৰিলেও নাই
দ্বিতীয় কোনো শুধৰাবলৈ
যিফালে চাওঁ সেইফালে দেখো তোমাক
কিন্তু বিচাৰিলেও নাপাওঁ কাষত তোমাক
সৰুতে কৈছিলোঁ মৃত্যুৰ পাছত সকলো গৈ
তৰা হয় আকাশত,
তৰাবোৰ মাজত যে তোমাক বিচাৰি নাপাওঁ
চিঞৰি চিঞৰি মাতো শুনানে তুমি?
সপোনত আহা তুমি মোৰ কাষলৈ
হাত ফুৰাই যোৱা মোৰ শিৰত
কিন্তু তোমাৰ হাতত ধৰিলে
কিয় যোৱা তুমি দূৰলৈ?
তোমাৰ অবিহনে
সকলোৰে মাজত থাকিও যে
মই অকলশৰীয়া
তুমি জানানে মা?



# তুমি মোৰ প্ৰিয়া

—চন্দন মণ্ডল
স্নাতক পঞ্চম ষাণ্মাসিক

সেইদিনাখন তোমাক মই
দেখিছিলো প্ৰথম।
পৰিচয় লমেই বুলি
মনতে হৈছিল দম।
তোমাৰ মুখমণ্ডল ওঠযোৰি
ভাল লাগে দেখি।
মুৰৰ চুলি আৰু ভাল
বৰ্ণনা নহয় লেখি।
ম'বাইলৰ মেছেজৰে
কৰিছিলো প্ৰপোজ
বেলেগক ভালপোৱা তুমি
মোক ভাবা দোস্ত।
আজিও তোমাক ভালপায়
মোৰ অবুজ মনে।
পাৰিবানে আহিব এদিন
আপোনহৈ চিৰদিনে।
শুনিছানে প্ৰিয়া তুমি
মোৰ মনৰ কথা
বুজিছানে কেতিয়াবা
অন্তৰৰ নিঠুৰ বেথা।
আহিবা নিশ্চয় চাব এদিন
মোৰ মৃত্যুৰ দিনা।
অকলেই আহিছো যাম অকলেই
নালাগে তোমাৰ সান্ত্বনা।

